অসম আদিত্য

চ'ত, ১৯৪৪ শক ■ বুধবাৰ, ২৯ মাৰ্চ, ২০২৩ ■ Asom Aditya, Dibrugarh, Wednesday, March 29, 2023 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু

ফ্ৰণ্টিয়েৰ্ছ ইন ফিজিকেল ছায়েঞ্চ-২০২৩ গ্ৰন্থ উন্মোচন

# কানৈত সৃষ্টি হৈছে গৱেষণাৰ পৰিৱেশঃ ড° শইকীয়া



ডিব্ৰুগড়, ২৮ মাৰ্চ ঃ ডিব্ৰুগড় হনুমানবক্স সুৰুজমল কানৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ গৱেষণা বিষয়ক Frontiers in Physical Sciences-2023গ্ৰন্থখন ২৭ মাৰ্চত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উন্মোচন কৰে। গ্ৰন্থখনি উন্মোচন কৰি অধ্যক্ষ ড° শশীকান্তশইকীয়াই কানৈ মহাবিদ্যালয়ত গৱেষণাৰ এক সুন্দৰ পৰিৱেশ গঢ় লৈ উঠিছে বুলি উল্লেখ কৰি কয় কানৈ মহাবিদ্যালয়ত প্ৰায় ৫ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো উচ্চ মানদণ্ডৰ Central Instrumentation Facility গৱেষণাগাৰ সংস্থাপন কৰি ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকলৰ গৱেষণাৰ ক্ষেত্ৰত এক সুন্দৰ পৰিৱেশ গঢ়ি তোলাৰ লগতে ৫৫ লাখ টকা ব্যয় সাপেক্ষ Advance Level Biotech Hub সংস্থাপনৰ কাম ইতিমধ্যে চলি আছে। অধ্যক্ষগৰাকীয়ে লগতে কয় মহাবিদ্যালয়ৰ বিভিন্ন বিভাগত প্ৰতিবছৰে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকাসকল উপকৃত হ'ব পৰাকৈ গৱেষণাৰ স'তে জড়িত বহুকেইখন গৱেষণা পত্ৰ প্ৰকাশ পাই আহিছে। ধ্যক্ষগৰাকীয়ে গৱেষণাৰ দিশটোক সামৰি পদাৰ্থ বিজ্ঞান বিভাগে এনে এখন সুন্দৰ গ্ৰন্থ প্ৰস্তুত কৰাৰ বাবে বিভাগৰ মূৰব্বী অধ্যাপক ড° ৰঞ্জন চাংমাই, অধ্যাপক অশুমান বৰঠাকুৰ, অধ্যাপক ড° পৰাগজ্যোতি চুতীয়া আৰু অধ্যাপক মৃন্ময় গোহাঁইক ভূয়সী প্ৰশংসা কৰাৰ লগতে গ্ৰন্থখনি প্ৰকাশৰ স'তে জড়িত মনিপুৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপিকা গোমতী দেৱী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ধ্ৰুৱজ্যোতি গগৈক ধন্যবাদ জ্ঞাপন কৰে। গ্ৰন্থখনিৰ সাৰমৰ্মৰ বিষয়ে অৱগত কৰে পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° ৰঞ্জন চাংমায়ে। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামী, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালী, ভূগোল বিভাগৰ মুৰব্বী অধ্যাপিকা ড° মিতালী চলিহাকে ধৰি পদাৰ্থ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।